**2025**

ASSAMESE

( Major )

Paper : ASS4300104MJ

**( Asamor Sanskriti Adhyayan )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ভাৰতীয় কোনটো ভাষাত প্ৰথমে 'সংস্কৃতি' শব্দৰ প্ৰয়োগ হৈছিল ?

(খ) কি ধাতু নিষ্পন্ন হৈ 'কৃষ্টি' শব্দৰ গঠন হৈছে ?

(গ) জয়ন্তীয়াসকল কোনটো নৃ-গোষ্ঠীৰ অন্তৰ্গত লোক ?

(ঘ) 'বায়খো' কোনটো জনগোষ্ঠীয়ে পালন কৰা লোক-উৎসৱ ?

(ঙ) 'নাঙেলী গীত' অসমৰ কোন অঞ্চলত প্ৰচলন আছিল ?

(চ) সোণোৱাল কছাৰীসকলে পালন কৰা এটি প্ৰধান ধৰ্মীয় উৎসৱৰ নাম লিখা।

(ছ) মাজুলীৰ মুখাশিল্পক কোনে প্ৰথমতে বিশ্ব দৰবাৰলৈ উলিয়াই নিয়ে?

(জ) দ-পৰ্বতীয়াৰ শিৱ মন্দিৰটো আনুমানিক কিমান শতিকাত নিৰ্মাণ কৰা হৈছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো ছটা) : ২×৬=১২

(ক) কিৰাতসকল কোনটো নৃ-গোষ্ঠীৰ অন্তৰ্গত? তেওঁলোক ক'ৰ পৰা প্ৰব্ৰজিত হৈ অসমলৈ আহিছিল?

(খ) জাৰ্মান দেশৰ লোক-কথাক বুজাবলৈ প্ৰথমে **Volkskunde (Folklore)** পৰিভাষা ব্যৱহাৰ কৰা জাৰ্মান ভ্ৰাতৃদ্বয়ৰ নাম কি আছিল?

(গ) অসমৰ দুবিধ লোক-পৰিৱেশ্য কলাৰ নাম লিখা।

(ঘ) অসমৰ দুটা মাতৃসূত্ৰীয় জনগোষ্ঠীৰ নাম লিখা।

(ঙ) অসমীয়া হস্তশিল্পৰ দুটা উদাহৰণ দিয়া।

(চ) ভাৰতীয় সংবিধানে স্বীকৃতি প্ৰদান কৰা অসমৰ জনজাতিসকলৰ ভাগ দুটা কি কি?

(ছ) খেৰাই কোন জনগোষ্ঠীৰ উৎসৱ? কিহৰ প্ৰতীকী ৰূপত এই উৎসৱ পালন কৰা হয়?





(জ) মিছিং মহিলাই ব্যৱহাৰ কৰা এবিধ আৰু পুৰুষে ব্যৱহাৰ কৰা এবিধ সাজ-পাৰৰ নাম লিখা।

(ঝ) 'সংগীত নাটক একাডেমি'ৰ দ্বাৰা স্বীকৃতি-প্ৰাপ্ত দুবিধ শাস্ত্ৰীয় নৃত্যৰ নাম লিখা।

(ঞ) দেৱদাসী নৃত্য পৰম্পৰাৰ প্ৰচলন থকা অসমৰ দুটা প্ৰাচীন মন্দিৰৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক

(খ) আহোম যুগৰ স্থাপত্য

(গ) অসমীয়া ভক্তিমূলক লোকগীত

(ঘ) মৃত্যুৰ সৈতে জড়িত অসমীয়া লোকাচাৰ

(ঙ) কাৰ্বি জনগোষ্ঠীৰ খাদ্যাভ্যাস

(চ) হাইদাং গীত আৰু বগেজাৰী গীতৰ তুলনা

(ছ) মাটি-আখৰা

(জ) অসমত ব্যাস সংগীতৰ পৰম্পৰা

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) সংস্কৃতিৰ এটা গ্ৰহণযোগ্য সংজ্ঞা দাঙি ধৰি অসমীয়া সংস্কৃতিৰ সমন্বয় সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) কৃষিভিত্তিক উৎসৱ কি, আলোচনা কৰি অসমত পালিত যি কোনো দুটা কৃষিভিত্তিক উৎসৱৰ বিষয়ে চমুকৈ লিখা।

(গ) অসমৰ ধৰ্মীয় পৰম্পৰাৰ আভাস দি শৈৱ ধৰ্মীয় *অথবা* বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে বিতংকৈ লিখা।

(ঘ) জনজাতীয় আৰু মাৰ্গীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি দুয়োটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(ঙ) সত্ৰীয়া সংস্কৃতি বুলিলে কি বুজা? সত্ৰীয়া সংস্কৃতিৰ উপাদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

★★★